# মৰুদ্যানত জীৱনৰ এছোৱা

*ডাঃ সুমতি চাংকাকতি*

শাৰী শাৰী লাইট আৰু গা পুৰিজোৱা এচাটি গৰম বতাহ, সেইয়াই আছিল আবুধাবী এয়াৰপৰ্টত আমাৰ প্ৰথম পৰ্দাপণত আদৰণি। চকুত চাত্ মৰা পোহৰত ঠাইখন বৰ চাফ্ যেন লাগিছিল। অধৈৰ্য্য হৈ ৰৈ আছিল জিত, কস্তাচ আৰু ডৰ'থি । তেওঁলোকে আমাক মৰমেৰে আঁকোৱালি ধৰিলেহি। এনেহে লাগিল যেন ঘৰ পালোঁহি । ফুলেৰে ভৰা কাৰ পাৰ্ক খন দেখি ভাৱ হ'ল 'এই খন সচাঁকৈয়ে মৰুভূমি জানোঁ?'

কস্তাচে আমাক এখন আৰৱী ৰেষ্টুৰেণ্টত খাবলৈ নিলে । সেই প্ৰথম হমুজ, খবুজ, চালাদ, চিকেন আৰু মটন টিক্কাৰ সোৱাদ এতিয়াও জিভাত লাগি আছে । ডঃ কস্তাচ তেতিয়া আবুধাবীৰ চেন্ত্ৰেল হস্পিতালৰ চকু বিভাগৰ মূৰব্বী হৈ আছিল । তেওঁৰ পৰিবাৰ শিক্ষয়ত্ৰী ডৰ'থি আৰু তিনিজনী জীয়েক জুলিয়া, আলেক্জেন্দ্ৰা আৰু নিক'ল। গ-াচগোত স্নাতকোত্তৰ অধ্যয়ন কৰি থকাৰ সময়ৰ পৰাই তেওঁলোকৰ লগত আমাৰ বন্ধুত্ব - শেষত আমি একে পৰিয়ালৰ নিচিনাই হলোগৈ । গ-াচগোত আমাৰ বিয়াত কস্তাচ Bridegroom's Bestman আৰু ডৰ'থি Bride's Maid আছিল । আবুধাবীলৈ কস্তাচেই জিতক জোৰজবৰস্তি কৰি আনিছিল । I am glad we came!

খানা খাই কস্তাচৰ ঘৰত পুৰণি স্মৃতিৰ ৰোমন্থন শেষ কৰি আমি আল আইনলৈ ধাপলি মেলিলো । আবুধাবীৰ পৰা ১৫০ কিলোমিটাৰ দুৰৈত Oasis City Al Ain. Dual Carriagewayৰ মাজৰ refugeত ৰঙাৰগা oleanderৰ শাৰী, কাষত অফুৰন্ত বালি- বগা বালি লাহে লাহে আল আইনৰ ফালে ৰঙা হৈছেগৈ ।

জিতৰ ফ্লেট্টো আল আইনৰ প্ৰধান পথৰ ওপৰত clock towerৰ কাষত তৃতীয় মহল্লাত । ওপৰত চাত - বৰ গৰম । নলৰ পানী টাৱত ধৰি ঠাণ্ডা কৰিলেহে গা ধুব পৰা যায়। এ-চি নচলালে থকা অসম্ভৱ । জিতৰ কাম বৰ আৰামৰ আছিল। পুৱা চাৰে সাতটাৰ পৰা দুপৰীয়া দেৰ বজালৈকে হে মাথোন।

হস্পিতালৰ ডাক্তৰ আৰু তেওঁলোকৰ পৰিয়ালবোৰে আহি আমাক আদৰণি জনালে। খোৱাবোৱা, তাচ্ খেলা আদি সমানে চলিল। সপ্তাহত এবাৰকৈ আমি সকলোৱে একোঘৰত সন্মিলিত হওঁ। তিনপাত্তি খেলত চিঞৰ বাখৰ কাজিয়াৰ সৈতে বেচ জমে। আবেলি হিল্টন হোটেলত ব্যায়াম, খেলা, সাতোঁৰা ইত্যাদি গধূলি শ্বেখ খলিফা পাৰ্কত ফুৰা - সেয়ে আছিল আমাৰ দৈনন্দিন routine । ৰুণিমা আৰু বুবুৰ (আমাৰ ছোৱালী) লগ হব বুলি কুকুৰ এটাও আনিলোঁ । মাজতে এটা ডাঙৰ দুৰ্ঘটনা হৈ গ'ল - ৰাস্তা পাৰ হওঁতে মোক এখন মটৰ চাইকেলে খুন্দিয়াই হাত-মূৰ আৰু ভৰি ভাঙি থৈ গ'ল। ফলস্বৰূপে হস্পিতালত আঢ়ৈ মাহ শয্যাগত হৈ থাকিব লগা হ'ল।

ক্লিনীক আৰম্ভ কৰিলো ১৯৮০ত - তেতিয়া আল আইনত আমিয়েই প্ৰথম অসমীয়া । ডুবাইত ডঃ উৎপল কটকী আৰু নীনা, ডঃ হবিবুৰ ৰহমান, দীপা আৰু ল'ৰাহঁত । মাজে মাজে অসমৰ সোৱাদ লবলৈ তেওঁলোকৰ কাষলৈকে আহোঁ । আশাশুধীয়া উৎপল আৰু নীনা আমাৰ পৰিয়ালৰ নিচিনা হ'লগৈ । সাৰোৱাৰ আবুধাবীত আছিল - পিছত ডুবাইলৈ আহিল, ফুনুও আহিল, লাহে লাহে ডুবাইত অসমীয়াৰ সংখ্যা বাঢ়িল । আল আইনত কিন্তু আমি অকলেই থাকিলো । মোৰ ভাইটোক আনিছিলো - ছমাহৰ মূৰত home sick হৈ সিও গ'লগৈ । মোৰ 'কাজিন' ককি আৰু বাবুলক আনিলোঁ। সিহঁত যেনিবা বহুত বছৰ থাকিল ।

বিভূতি শৰ্মা ৰুৱেইচত কাম কৰিবলৈ আহিল । ফোনৰ ডাইৰেক্টৰীত আমাৰ নাম পাই বিচাৰি দেখা কৰিলেহি । এতিয়া তেওঁ আবুধাবীত নিজৰ ব্যৱসায় কৰে । তেওঁৰ

পৰিবাৰ দীপ্তি বৰ সাদৰী আৰু ল'ৰা ছোৱালী দুটি পূজা আৰু বিবেক বৰ মৰমলগা। আল আইন আবুধাবী কৰি তেওঁলোকৰ লগত অহাযোৱা, খোৱাবোৱা খুউব চলিছিল।

১৯৮১ চনত আমি ফ্লেটৰ পৰা ভিলালৈ আহিলোঁ। UAE ৰ প্ৰথম বিহু আমাৰ আল আইনৰ ভিলাতে পতা হ'ল। ডুবাই আৰু আবুধাবীৰ সকলো খিনি অসমীয়াই আহিছিল। বিহুৰ পিঠাপনা, ভোজভাত ককালত আৰু মূৰত গামোচা বান্ধি বিহুনাচ বৰ সমাৰোহেৰে চলিল। বিহুৰ গ্ৰুপ ফটো উৎপলৰ তৎপৰতাত Assam Tribune আৰু Khaleej Timesটো ওলাল।

ইয়াৰ পিছৰ বিহু উৎপলৰ ঘৰত, ৰহমানৰ ঘৰত, ডুবাইৰ পাৰ্কত নাইবা হোটেলত পতা হৈছিল । আকৌ এবাৰ বিহু আমি আল আইনত পাতিলোঁ। এইবাৰ অসমীয়াৰ সংখ্যা বেছি আছিল। ডঃ মন্দিৰা দাস পুতেক মনুৰ সৈতে আহিল। আৰু এজন অসমীয়া আল আইনত বাঢ়িল। তেখেতৰ গিৰিহঁত মানচন্দা বৰ সৰল আৰু সৰবৰহী আছিল। তেওঁ পঞ্জাৰী - আমাৰ বৰ প্ৰিয় বন্ধু আছিল। ১৯৯৮ চনৰ জুলাই মাহত তেখেত স্বৰ্গগামী হোৱাত আমি নিজৰ আত্মীয় এজন হেৰুৱা যেন লাগিল।

আমি প্ৰথম আহোঁতে আল আইনত দুটা মাথোন ৰাস্তা। এটা indoor cinema আৰু এটা outdoor cinema, এখন govt. হস্পিতাল, এখন private হস্পিতাল। Hassan super market, এখন বঙালী electrical shop, আৰু এখন Sikh AC repair shop, কেইখনমান pharmacy আৰু তিনিখনমান Clinic. বাকী গেলামালৰ, জোতা কাপোৰ আদিৰ দোকান ইৰাণী, ভাৰতীয় আৰু পাকিস্তানী মানুহে চলাইছিল। Al Ain Zoo, Museum, Hilli Garden, with heritage relics, Power House, Post Office, Police Station - এইখিনিয়েই মাথোন আছিল। University নাছিল।

মই অহাৰ আগতে জিত তিনিবছৰ অকলে আছিল। ফ্লেটত জিতে খিচিৰি বনায়। ডাং বৰলা ডাক্তৰ সকলে (পৰিয়াল ভাৰতত) আহি খায়হি আৰু গধূলি জিমি চিনেমাত খোজ কাঢ়ি চিনেমা চায়গৈ। হস্পিতালত ইমাৰজেন্সী হ'লে চিনেমা স্ক্ৰীনিং বন্ধ কৰি ডাক্তৰৰ নাম স্ক্ৰীনত দেখুৱাই হস্পিতাললৈ মাতি পঠোৱাৰ system আছিল । কাণ্ডটো আমাৰ চাহ বাগিছাত ভাওনা চোৱাৰ নিচিনাই হয়। ডঃ লামকিৰ বাহিৰে গোটেই কেইজন Head of the Department ভাৰতীয় বা পাকিস্তানী আছিল। Department ৰ কাম, অপাৰেশ্যন আদিত জিতে নিজৰ সৰঞ্জাম ব্যৱহাৰ কৰিছিল। হস্পিতালৰ নিজৰ সা-সৰঞ্জাম আহি পাই মানে কেই বছৰ মান গ'লেই । ওচৰৰ গাৱঁৰ মানুহবিলাকে ঘৰচীয়া জন্তু - উট, ছাগলী আদিৰ বেমাৰ হ'লে হস্পিতালৰ ডাক্তৰকহে মাতি নিয়েহি। জিতে ২৪ ঘণ্টা অকলে ডিউটি কৰিব লাগিছিল যদিও কাম কৰি ভাল পাইছিল । The atmosphere was cordial and the rules were not so strict.

এবাৰ শ্বেখৰ ঘৰত ভোজ খাওঁতে এজন বাদুৱে (থলুৱা লোকে নিজকে বাদু অথবা বেদুইন বুলি কয়) roasted ছাগলীৰ চকু এটা ঘুকটি আনি জিতক খাবলৈ দিলে । সেইটো হেনো মৰম আৰু সন্মানৰ চিন । জিতে চকুটো গ্ৰহণ কৰি কোনোমতেহে বমি নকৰাকৈ থাকিল।

এবাৰ এজন বয়সিয়াল নাগৰিকৰ cataract অপাৰেশ্যন বৰ ভাল হ'ল। বুঢ়াই কৃতজ্ঞ হৈ তেওঁৰ চাৰিজনীকৈ অবিবাহিতা ছোৱালীকে জিতলৈ যাচিলে। অৱশ্যে জৌতুক দিব নালাগে (সাধাৰণতে প্ৰতিজনী কইনাৰ জৌতুক ইয়াৰ হিচাবত এক বা দুই লাখ ডিৰহামৰ কম নহয়!) জিতে কলে যে তেওঁ বিবাহিত আৰু দুজনীকৈ ছোৱালীৰ বাপেক। সৰলভাৱে বুঢ়াই ক'লে - 'তেনেহলে মোৰ তিনিজনী ছোৱালীকে তোমালৈ দিওঁ - তুমিতো চাৰিজনীকৈ ঘৈণী ৰাখিব পাৰা'।

প্ৰায় একে ধৰণেই মোৰ ক্লিনীকত এজন ডেকা বাদুৱে প্ৰস্তাৱ দিলে - 'ডাক্তৰ, মই তোমাক বিয়া কৰাব খোজোঁ - কিমান জৌতুক লাগে কোৱাঁ?'

I was amused. কলোঁ 'জৌতুকৰ কথা বাদ দিয়া - মই বিবাহিতা, দুজনীকৈ ছোৱালীৰ মাক, তোমাক বিয়া কৰোৱাৰ প্ৰশ্নই নুঠে।' তেনেহলে তালাক দি দিয়া - তেওঁ গম্ভীৰ ভাৱে কলে। Dowry, বিবাহ আৰু তালাক seemed easy!

থলুৱা লোকৰ লগত আমাৰ সম্বন্ধ উপৰুৱা ধৰণৰহে আছিল। ঘৰত বেমাৰী চাবলৈ যোৱা নাইবা শ্বেখৰ ঘৰত ভোজ খাবলৈ যোৱা - সিমানেই৷ বাদুৰ ঘৰলৈ গলে বেমাৰী চোৱাৰ পিছত ফ'লমূল, খেজুৰ আদি ডাঙৰ থালত সজাই দিয়েহি৷ কোনোকোনোৱে ফ্ল মিঠাই, খেজুৰ আদি বান্ধি আনি গাড়ীত তুলিও দিয়েহি৷

এবাৰ Crown Prince শ্বেখ খলিফাৰ জীয়েকৰ বিয়ালৈ গ'লো । কইনাৰ আইতাক শ্বেখা হাচ্চাক ভালদৰে চিনি পাওঁ। তেওঁ মৰমেৰে সম্বৰ্ধনা জনাই খাবলৈ ইংগিত দিলে। প্ৰকাণ্ড শ্বামিয়ানা, তাতে ডাঙৰ ডাঙৰ থালত একোটা গোটা ছাগলীৰ লগতে ভজাভাত, ফ্ল, চালাদ্, মিঠাই ইত্যাদি । দেখিলোঁ বাদু মহিলা সকলে একোখন থাল গাড়ীত উঠাইছে আৰু গৈছেগৈ । মোৰ লগত যোৱা চোমালী নাৰ্চজনীয়ে কলে 'ডাক্তৰ, ব'লা এখন থাল লওঁ আৰু যাওঁ । ল'ৰা এটাই এখন থাল মোৰ গাড়ীত উঠাই দিলে আৰু আমি ঘৰলৈ উভতিলোঁ । What a royal treat !

চাওঁতে চাওঁতে আল আইনৰ বহুত উন্নতি হ'ল - লেখিব নোৱাৰাকৈ three lane dual carriage way, building, university, garden, hotel, দোকান, flyover - সকলো চকুৰ পচাৰতে হবলৈ ধৰিলে । গছ আৰু ফুলৰে oasis খন যেন 'Garden City of U.A.E.' বনালে । Jabel Hafit, Ain Al-Faida, Hilli Fun City Tourist attraction হ'ল । মানুহ বহুত বাঢ়িল - লগতে ঘৰ আৰু গাড়ী । হস্পিতালত কাম বাঢ়িল - পিছে দৰমহাহে নাবাঢ়িল।

আমাৰ গ্ৰুপৰ বেছিভাগ ডাক্তৰক আতৰোৱা হ'ল । Horry retire কৰিলে, ডঃ লাম্‌কি ওমানলৈ গ'ল । বাকীবিলাকৰ লগত পাৰ্টি কৰিলেহে দেখা হোৱা হ'ল।

অৱশেষত ঘৰুৱা বন্ধু হিচাবে আমাৰ ওচৰচুবুৰীয়া ডঃ বাচিম, তেওঁৰ পৰিবাৰ অমড, Malayasian Nursing Supervisor, আৰু Palestinian S.H.O ডঃ চালাহ , পৰিবাৰ পাদুৱা আৰু তেওঁলোকৰ ল'ৰা-ছোৱালী হঁতহে ৰ'লগৈ । বুবু, ৰুণিমা আমেৰিকা, ইংলণ্ডলৈ গ'লগৈ । আল আইনত থাকি আমনি লগা হৈছিলগৈ । তথাপি আমি কৃতজ্ঞ । U.A.E. লৈ অহাৰ কাৰণেহে আমি ইউৰোপ, আমেৰিকা, আফ্ৰিকা, Far East আদি ঠাই ভ্ৰমণৰ সুযোগ পালোঁ । ছোৱালী দুজনীক Choicest Institutionত পঢ়াব পাৰিলোঁ আৰু নানান দেশৰ মানহুৰ লগত মিলামিচা হ'ল ।

ডুবাইলৈ অহাৰ পিছত এনেহে লাগিল যেন আমি মিনি অসমতহে আছোঁ । ইয়াত আমি প্ৰায় সকলোকে চিনি পাওঁ । খোৱা-বোৱা, ঠাট্টা- মস্কৰা, সহায়-সাৰথি আছে - ঈৰ্ষা নাই । কল্পনাৰ মিনি স্বৰ্গখন চাগে এনেকুৱাই !

Long Live Dubai - জয় আই অসম ।

*ডঃ সুমতি চাংকাকতি ডুবাইৰ এগৰাকী practising Gynaecologist । অসমত B.Sc. আৰু M.B.B.S. ডিগ্ৰী সম্পন্ন কৰি তেখেতে higher studyৰ কাৰণে ইংলণ্ডলৈ ৰাওনা হয়। ৭-চচগোত Royal College of Surgeonৰ পৰা F.R.C.S. ডিগ্ৰী আৰু লণ্ডনৰ Royal College of Obstetrics & Gynaecologyryৰ পৰা D.Obst., R.C.O.G., M.F.P.A., M.R.C.O.G. ডিগ্ৰী লৈ ইংলণ্ডৰ বিভিন্ন চিকিৎসালয়ত ৮ বছৰৰ অভিজ্ঞতা লৈ তেখেতে গুৱাহাটীত 'চাংকাকতি নাৰ্চিং হোম' খোলে। পিচত স্বামী ডঃ প্ৰসেনজিত কাকতি(M.B.B.S., D.O., F.R.C.S.)ক অনুসৰণ কৰি আল আইন চহৰত প্ৰেক্‌টিচ্ আৰম্ভ কৰে। তেখেতৰ দুগৰাকী ছোৱালী - ৰুণিমা ইংলণ্ডত আৰু বুবু আমেৰিকাত কাম কৰি আছে।*